# Exchange of list of prisoners between India and Pakistan

July 01, 2020

---

## ভাৰত আৰু পাকিস্তানৰ মাজত কাৰাবন্দীসকলৰ নামৰ তালিকাৰ বিনিময়

জুলাই 01, 2020

ভাৰত আৰু পাকিস্তানে আজি তেওঁলোকৰ জিম্মাত থকা অসামৰিক কাৰাবন্দী আৰু মাছমৰীয়াসকলৰ নামৰ তালিকা কূটনৈতিক ব্যৱস্থাৰে নতুন দিল্লী আৰু ইছলামাবাদত একেসময়তে আদান-প্ৰদান কৰে। 2008 চনৰ চুক্তি অনুসৰি এই পদক্ষেপ লোৱা হৈছে যি চুক্তিৰ অধীনত প্ৰতি বছৰে 1 জানুৱাৰী আৰু 1 জুলাইত এনে তালিকাসমূহ আদান-প্ৰদান কৰা হয়।

ভাৰতে 265 গৰাকী পাকিস্তানী অসামৰিক কয়দী আৰু 97 গৰাকী মাছমৰীয়াৰ নামৰ তালিকা দিয়ে। একেদৰে পাকিস্তানেও তেওঁলোকৰ জিম্মাত থকা ভাৰতীয় বা ভাৰতীয় বুলি বিশ্বাস কৰা 58 গৰাকী অসামৰিক কয়দী আৰু 270 গৰাকী মাছমৰীয়াৰ নামৰ তালিকা দিয়ে।

ভাৰত চৰকাৰে অসামৰিক কয়দীসকল, নিৰুদ্দিষ্ট হৈ থকা ভাৰতীয় প্ৰতিৰক্ষা কৰ্মী আৰু মাছমৰীয়াসকল আৰু তেওঁলোকৰ নাঁৱসমূহ পাকিস্তানৰ জিম্মাৰ পৰা সময়তকৈ আগতে মুক্তি আৰু স্বদেশ প্ৰেৰণৰ দাবী জনাইছে। এই পৰিপ্ৰেক্ষিতত, ভাৰতে পাকিস্তানক তেওঁলোকৰ জিম্মাত থকা 7 গৰাকী ভাৰতীয় অসামৰিক কয়দী আৰু 106 গৰাকী ভাৰতীয় মাছমৰীয়া, যাৰ জাতিগত পৰিচয় নিশ্চিত হোৱাৰ লগতে পাকিস্তানকো এইবিষয়ে অৱগত কৰা হৈছে, তেনে লোকৰ মুক্তিৰ সুবিধা কৰি দিবলৈ কৈছে। তাৰোপৰি, পাকিস্তানক ভাৰতীয় মাছমৰীয়াসকল আৰু 18 গৰাকী ভাৰতীয় অসামৰিক কয়দী বুলি বিশ্বাস কৰা লোককো ততালিকে কান্সুলাৰ প্ৰৱেশৰ অনুমতি দিবলৈ কোৱা হৈছে, যি বৰ্তমান দেশখনৰ জিম্মাত বন্দী হৈ আছে।

ভাৰত চৰকাৰে পাকিস্তানক দেশখনৰ বিভিন্ন জেইলত থকা ভাৰতীয় বুলি বিশ্বাস কৰা কয়দীসকলৰ মানসিক স্থিতিৰ বুজ ল'বলৈ যোৱা ভাৰতীয় চিকিৎসা বিশেষজ্ঞৰ দলক ভিছা প্ৰদানৰ সুবিধা কৰি দিয়াৰ লগতে তেওঁলোকৰ পাকিস্তান পৰিদৰ্শনৰ ব্যৱস্থা কৰি দিবলৈ; যুটীয়া বিচাৰকৰ কমিটিৰ আগতীয়া পাকিস্তান পৰিদৰ্শনৰ ব্যৱস্থা আৰু ভাৰতীয় মাছমৰীয়া নাঁওসমূহৰ মুক্তি আৰু স্বদেশ প্ৰেৰণৰ সৈতে সংগতি ৰাখি ৪ জনীয়া সদস্যৰ এটা দলৰ কৰাচীলৈ আগতীয়া পৰিদৰ্শনৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিছে |

পৰস্পৰৰ ন্যায়িক জিম্মাত থকা কয়দী আৰু মাছমৰীয়াসকলৰ লগতে আন সকলো মানৱীয় বিষয়ৰ ওপৰত মাত মতাৰ ক্ষেত্ৰত ভাৰতে অগ্ৰাধিকাৰ প্ৰদান কৰে | এই পৰিস্থিতিত, ভাৰতে পাকিস্তানক তেওঁলোকৰ পক্ষৰ পৰা সকলো প্ৰৱন্ধ কৰি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰি মাছমৰীয়াকে আদি কৰি 88 গৰাকী পাকিস্তানৰ কয়দীৰ জাতিগত পৰিচয় নিশ্চিত কৰিবলৈ অনুৰোধ জনাইছে, যাৰ পাকিস্তানৰ পৰা জাতিগত পৰিচয়ৰ ক্ষেত্ৰত সহাঁৰি নোপোৱাৰ বাবে স্বদেশ প্ৰেৰণৰ ব্যৱস্থাত বিলম্ব হৈছে।

**নতুন দিল্লী**
**জুলাই 01, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.